# অসমীয়া চুটি গল্প

ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত ফ্ৰান্স আৰু ৰাছিয়াত পোনতে চুটি গল্পৰ জন্ম হয়। প্ৰায় একে সময়তে অলপ অগা-পিছাকৈ আমেৰিকা, ইংলেণ্ড আৰু জাৰ্মানীতো চুটি গল্পই জন্ম লাভ কৰে। ভাৰতবৰ্ষত চুটি গল্পৰ জন্ম হয় ঊনবিংশ শতিকাৰ শেষৰ ফালে। বাংলা সাহিত্যত ৰবীন্দ্ৰনাথ ঠাকুৰৰ হাতত, ওড়িয়া সাহিত্যত ফকীৰ মোহনসেনাপতিৰ হাতত আৰু হিন্দী সাহিত্যত প্ৰেমচন্দৰ হাতত চুটি গল্পই জন্ম লাভ কৰে। সেই একে সময়তে অসমীয়াতো চুটি গল্পৰ উদ্ভৱ হয়। অন্যান্য ভাষাৰ চুটি গল্পৰ দৰে অসমীয়া চুটি গল্পৰো জন্ম হৈছে আলোচনীৰ পাতত। ঊনবিংশ শতিকাৰ শেষ দশকত কলিকতাৰ পৰা প্ৰকাশিত **জোনাকী** (১৮৮৯)ৰ পাতত লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া চুটি গল্পৰ জন্ম দিয়ে। **জোনাকী**ৰ চতুৰ্থ বছৰৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত বেজবৰুৱাৰ **সেউতী** নামৰ গল্পটোকেই প্ৰথম অসমীয়া চুটি গল্প বুলি ধৰা হৈছে। একেটা বছৰৰে **জোনাকী**ৰ দ্বিতীয় আৰু তৃতীয় সংখ্যাতো বেজবৰুৱাৰ **ঘৰপতা ককা** আৰু **মূলাখোৰা বুঢ়া** নামৰ দুটা গল্প প্ৰকাশ পাইছিল। কিন্তু সেই গল্প দুটা চুটি গল্পৰ শাৰীলৈ উঠিছে বুলি ক'ব নোৱাৰি। গল্প দুটা চুটি গল্পতকৈ সাধুকথাৰহে অধিক ওচৰ চপা। অৱশ্যে, বেজবৰুৱাৰ সৰহভাগ গল্পতে চুটি গল্পৰ সকলো লক্ষণ পৰিস্ফুট হৈ উঠা নাই। মন কৰিবলগীয়া কথা যে চুটি গল্প ৰচনা কৰাৰ আগে আগে বেজবৰুৱাই অসমৰ প্ৰচীন সাধুকথা কিছুমানক লিখিত ৰূপ দিছিল। গতিকে, এই সাধুকথাসমূহৰ প্ৰভাৱ তেওঁৰ গল্পত পৰা অস্বাভাৱিক নহয়। বেজবৰুৱাই নিজেও তেওঁৰ গল্পসমূহৰ ক্ষেত্ৰত চুটি গল্প নামটো ক'তো ব্যৱহাৰ কৰা নাই, গল্প আৰু সাধুকথা নাম দুটাহে ব্যৱহাৰ কৰিছে। চুটি গল্পৰ লক্ষণসমূহৰ বিষয়ে বেজবৰুৱাই যে জনা নাছিল সেইটো নহয়। কিন্তু জাতীয় ঐতিহ্যৰ সন্ধান কৰা বেজবৰুৱাই হয়তো আমাৰ প্ৰাচীন সাধুকথাৰ লগত পাশ্চাত্যৰ চুটি গল্পৰ সমন্বয় ঘটাবলৈ বিচাৰিছিল। তৎসত্ত্বেও

বেজবৰুৱাৰ গল্পসমূহৰ মাজত এনেধৰণৰ কেইটামান গল্প আছে যিকেইটাত আধুনিক যুগৰ চুটি গল্পৰ বিশিষ্ট লক্ষণসমূহ স্পষ্টভাৱে প্ৰকাশ পাইছে।

বেজবৰুৱাৰ আটাইখিনি চুটি গল্প একে পৰ্যায়ৰ নহয়। তেওঁৰ চুটি গল্পসমূহক প্ৰধানকৈ দুটা ভাগত বিভক্ত কৰিব পাৰি। এটা ভাগত প্ৰকাশ পাইছে তেওঁৰ সংস্কাৰধৰ্মী কৃপাবৰী মনটো। এই গল্পসমূহ হাস্য আৰু ব্যংগৰস-প্ৰধান। এইবোৰত তেওঁ হাঁহিৰ ছলেৰে সমকালীন অসমীয়া সমাজৰ ভেম-ভণ্ডামি, কুসংস্কাৰ, অন্ধবিশ্বাস প্ৰমুখে অশুভ দিশবোৰক নিন্দা কৰিছে। চুটি গল্পৰ বাবে প্ৰয়োজনীয় বুলি বিবেচিত হৈ অহা লক্ষ্য আৰু ফলশ্ৰুতিৰ ঐক্য, আৰম্ভণি আৰু পৰিণতিৰ নাটকীয়তা এইবোৰত ৰক্ষা কৰা হোৱা নাই। চুটি গল্পৰ অন্য এক বিশিষ্ট লক্ষণ ভাষা আৰু কাহিনীৰ সংক্ষিপ্ততাও সৰহখিনিতে নাই। **ভোকেন্দ্ৰ বৰুৱা, মলক গুইন গুইন, ভেমপুৰীয়া মৌজাদাৰ, মিলাৰামৰ আত্মজীৱনী, জাতিৰামৰ জাত** ইত্যাদি গল্প ইয়াৰ অন্তৰ্ভুক্ত। এই গল্পসমূহত বেজবৰুৱাই তেওঁৰ বিখ্যাত ব্যংগ ৰচনাসমূহৰ নিচিনাকৈ সংস্কাৰকৰ ভূমিকা গ্ৰহণ কৰিছে। ডিম্বেশ্বৰ নেওগে ক'বৰ দৰে, বেজবৰুৱাই 'মুখত মিচিকিয়া হাঁহিটি লৈ নিজৰ সমাজখনৰ চিকিৎসাৰ কাম হাতত লৈছিল।' এইটো ভাগৰ গল্পত এফালে তেওঁৰ পূৰ্বসূৰী হেমচন্দ্ৰ বৰুৱাৰ ব্যংগধৰ্মী ৰচনা আৰু আনফালে তেওঁ ইতিপূৰ্বে সংগ্ৰহ কৰা অসমীয়া সাধুকথাৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি। গল্পসমূহত ব্যক্তি-চৰিত্ৰৰ একোটি দিশ দাঙি ধৰাৰ পৰিৱৰ্তে বেজবৰুৱাই সমগ্ৰ অসমীয়া সমাজৰ এচাম লোকৰ ফোপোলা স্বৰূপ উদঙাই দিয়াৰ চেষ্টাৰে চৰিত্ৰৰ সামগ্ৰিক ৰূপ দাঙি ধৰিছে। কোনো কোনো গল্পত অৰ্ধশিক্ষিত, দুৰ্নীতিপৰায়ণ লোভী অসমীয়াৰ অৰ্থহীন সামাজিক মূল্যবোধ (**ভোকেন্দ্ৰ বৰুৱা**), কোনো কোনো গল্পত কানি পান কৰা সোৰোপা অসমীয়াৰ ব্যভিচাৰ (**মিলাৰামৰ আত্মজীৱনী**), কোনো কোনো গল্পত লিখা-পঢ়া শিকি, বিষয়-বাব পাই চাহাব হ'বলৈ বিচৰা অসমীয়াৰ মিছা ভেম আৰু ভণ্ডামি (**মলক গুইন গুইন**), কোনো কোনো গল্পত পূৰ্বপুৰুষৰ নাম লৈ বৰ জাতৰ বুলি গৰ্বত ওফন্দি উঠা অসমীয়াৰ জাত্যভিমানক (**জাতিৰামৰ জাত**) আওপকীয়াভাৱে নিন্দা কৰিছে। অৱশ্যে, এই ভাগতে সামৰিব পৰা কেইটামান এনেধৰণৰ গল্পও আছে (**স্বৰ্গাৰোহণ, যেনে চোৰ তেনে টাঙোন**) যিকেইটা ব্যংগধৰ্মী নহয়, সম্পূৰ্ণভাৱে হাঁস্যৰসাত্মক। চুটি গল্প ব্যক্তি চেতনাৰ লগতহে জড়িত বুলি ধৰি ল'লে বেজবৰুৱাৰ প্ৰথম ভাগৰ গল্পসমূহক প্ৰকৃত চুটি গল্পৰ শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পৰা নহ'ব।

কাৰণ, ইয়াত তেওঁ সাধুকথাৰ নিচিনাকৈ ব্যক্তি চেতনাৰ পৰিৱৰ্তে সামূহিক চেতনাৰ ওপৰতহে গুৰুত্ব দিছে। সাধুকথাৰ দৰে ইয়াৰ কাহিনী বিন্যাসো শিথিল। তদুপৰি, কেইবাটিও গল্প সাধুকথাৰ ভংগীৰে আৰম্ভও কৰা হৈছে আৰু সামৰাও হৈছে। সঁচা কথা, বেজবৰুৱাই প্ৰথম ভাগৰ গল্পসমূহে আধুনিক যুগৰ চুটি গল্পৰ শিল্পগুণ লাভ কৰা নাই। কিন্তু চুটি গল্প হওক বা নহওক, বেজবৰুৱাৰ অন্যান্য ৰচনাৰ দৰে এই গল্পসমূহো সুখপাঠ্য হৈ উঠিছে বেজবৰুৱাৰ হাস্যৰস সৃষ্টিৰ অপূৰ্ব দক্ষতা আৰু প্ৰকাশভংগীৰ সাৱলীলতাৰ বাবে।

বেজবৰুৱাৰ দ্বিতীয় ভাগৰ গল্পসমূহত আধুনিক যুগৰ চুটি গল্পৰ সৰহভাগ লক্ষণেই পৰিস্ফুট হৈছে। এই গল্পসমূহত আছে বেজবৰুৱাৰ গভীৰ মানৱতাবোধৰ ছাপ। সাধাৰণ মানুহৰ, ব্যক্তি জীৱনৰ আৱেগ-অনুভূতি, সুখ-দুখ, আনন্দ-অশ্ৰু তেওঁ ইয়াত সহৃদয়তাৰে আৰু অতি সংবেদনশীলভাৱে প্ৰকাশ কৰিছে। **ভদৰী**, **মুক্তি**, **পাতমুগী**, **বাপিৰাম**, **ধোঁৱাখোৱা** আদি গল্পক এই ভাগত অন্তৰ্ভুক্ত কৰিব পাৰি। বেজবৰুৱাৰ প্ৰথম ভাগৰ গল্পসমূহৰ তুলনাত দ্বিতীয় ভাগৰ গল্পসমূহ আটিল। লক্ষ্য আৰু ফলশ্ৰুতিৰ একমুখিতা আৰু ভাষাৰ ব্যঞ্জনা এই গল্পসমূহৰ মন কৰিবলগীয়া বিশেষত্ব। **ভদৰী**ৰ দৰে কোনো কোনো গল্পত বেজবৰুৱাই বৰ্ণনাৰ সংযম, কাহিনীৰ সংক্ষিপ্ততা আৰু নাটকীয়তাও সম্পূৰ্ণভাৱে ৰক্ষা কৰিছে। আধুনিক যুগৰ চুটি গল্পৰ লক্ষণেৰে পুষ্ট গল্পও যে বেজবৰুৱাই ৰচনা কৰিব পাৰিছিল তাৰ নিদৰ্শন হিচাপে **ভদৰী** আৰু **মুক্তি** গল্প দুটালৈ আঙুলিয়াই দেখুৱাব পাৰি। **ভদৰী** গল্পটোত নিচেই কম পৰিসৰতে বেজবৰুৱাই ভদৰী চৰিত্ৰৰ আকৰ্ষণীয় দিশটো পৰিস্ফুট কৰিছে। শিশুৰামে খঙৰ ভমকত পত্নীক মৈদাৰে আঘাত কৰাৰে পৰা ভদৰীয়ে উজুটি খাই পাতি থোৱা মৈদাত পৰা বুলি মিছা কথা কৈ স্বামীক শাস্তিৰ পৰা ৰক্ষা কৰিবলৈ বিচৰালৈকে ঘটা ঘটনাসমূহ গল্পটোত দ্ৰুতগতিৰে আগবঢ়াই নিয়া হৈছে। **ভদৰী**ৰ দৰে **মুক্তি** গল্পতো একমুখী লক্ষ্য আগত ৰাখি বেজবৰুৱাই কম পৰিসৰতে সুকুমাৰ চৰিত্ৰটো আঁকি উলিয়াইছে। গল্পটোৰ কাহিনীত কোনো ধৰণৰ অপ্ৰাসংগিক কথাৰ অৱতাৰণা কৰা হোৱা নাই। সুকুমাৰ চৰিত্ৰৰ জৰিয়তে শিশু মনৰ চিৰন্তন সত্য শিল্পসন্মতভাৱে প্ৰকাশ কৰাতো বেজবৰুৱাই নিপুণতাৰ পৰিচয় দিছে। প্ৰকৃতিৰ মনোৰম বৰ্ণনা **মুক্তি** গল্পৰ আন এটি মন কৰিবলগীয়া দিশ। **ভদৰী** আৰু **মুক্তি**ৰ তুলনাত **পাতমুগী** আৰু **ধোঁৱাখোৱা**ৰ দৰে গল্পৰ কাহিনীৰ বিন্যাস শিথিল হ'লেও চুটি গল্পৰ বাবে প্ৰয়োজনীয় ঘটনাৰ

ঐক্য আৰু পৰিণতিৰ একমুখিতা এই গল্পসমূহতো ৰক্ষা নপৰাকৈ থকা নাই। বেজবৰুৱাৰ চৰিত্ৰ নিৰ্মাণৰ দক্ষতা এই গল্পসমূহতো ফটফটীয়া হৈ আছে। **ধোঁৱাখোৱাত** বংশ মৰ্যাদা তথা পৰম্পৰাৰ প্ৰতি ৰামেশ্বৰৰ দুৰ্বলতা আৰু **পাতমুগীত** পাতমুগীৰ অসমীয়া সমাজত যুগ যুগ ধৰি চলি অহা নৈতিক পৰম্পৰাৰ প্ৰতি সজাগতা ব্যঞ্জনাময় ৰূপত প্ৰকাশ পাইছে।

বেজবৰুৱাৰ কেইটামান গল্পত প্ৰেমৰ দৃঢ়তা তথা মহত্ত্ব সংবেদনশীলভাৱে প্ৰকাশ কৰা হৈছে। ইয়াৰ ভাল উদাহৰণ **কন্যা** আৰু **ৰতনমুণ্ডা** গল্প দুটা। উৰিষ্যাৰ পটভূমিত লিখা দুয়োটা গল্পৰ কাহিনীত প্ৰকৃতিয়ে বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। দুয়োটাতে আছে মনোৰম প্ৰাকৃতিক পৰিবেশৰ বৰ্ণনা আৰু তাৰ লগে লগে প্ৰণয়ৰ দৰে কোমল অনুভূতিৰ প্ৰকাশ। এহাল কোল ডেকা-গাভৰুৰ প্ৰণয়ক লৈ লিখা **কন্যা** গল্পটোত মানুহ আৰু প্ৰকৃতিৰ মাজৰ নিবিড় সম্পৰ্ক মূৰ্ত হৈ উঠিছে। টমাছ হাৰ্ডিৰ উপন্যাসত প্ৰকৃতি যিদৰে এটা জীৱন্ত চৰিত্ৰলৈ ৰূপান্তৰিত হৈছে সেইদৰে বেজবৰুৱাৰ এই গল্পটোতো কন্যা নদীটোৱে এটি সজীৱ চৰিত্ৰৰ ৰূপ লাভ কৰা দেখা গৈছে। **কন্যাৰ** লগত **ৰতনমুণ্ডাৰ** ভালেখিনি মিল আছে। **কন্যাৰ** নিচিনাকৈ ইয়াৰ কাহিনীতো নদীয়ে এটি প্ৰধান আৰু অৰ্থপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। প্ৰকৃতি আৰু মানুহৰ মাজৰ সম্পৰ্কই গুৰুত্ব লাভ কৰা বেজবৰুৱাৰ আন এটি গল্প **জলকুঁৱৰী**। ইয়াতো নদী মানৱীয় অনুভূতিসম্পন্ন এটি সজীৱ চৰিত্ৰৰ ৰূপত অৱতীৰ্ণ হৈছে।

অসমীয়া চুটি গল্পৰ জন্মলগ্নত বেজবৰুৱাৰ লগতে যিগৰাকী লেখকৰ নাম স্মৰণীয় হৈ ৰৈছে তেওঁ হ'ল শৰৎচন্দ্ৰ গোস্বামী। বেজবৰুৱাৰ সমকালৰ হ'লেও গল্পৰ ভাববস্তু আৰু ৰূপবস্তুৰ ক্ষেত্ৰত তেওঁৰ গল্প বেজবৰুৱাৰ গল্পৰ পৰা পৃথক। বেজবৰুৱাৰ ৰোমাণ্টিক আদৰ্শবাদৰ বিপৰীতে, গোস্বামীৰ গল্পত আছে বাস্তৱমুখী চেতনা। ৰোমাণ্টিক চেতনা তেওঁৰ গল্পতো নথকা নহয়। কিন্তু ৰোমাণ্টিক চেতনাতকৈ বাস্তৱমুখী সামাজিক চেতনাইহে তেওঁৰ গল্পত অধিক পৰিমাণে ক্ৰিয়া কৰিছে। ঘটনাৰ ঐক্য, লক্ষ্যৰ একমুখিতা, পৰিণতিৰ নাটকীয়তা আৰু ভাষাৰ সৰলতা তেওঁৰ গল্পৰ বৈশিষ্ট্য। সাধাৰণ মানুহৰ প্ৰতি আন্তৰিকতাপূৰ্ণ সহানুভূতি গোস্বামীৰ গল্পৰ কেন্দ্ৰীয় বিষয়। সমাজৰ দুৰ্বল, নিপীড়িত লোকৰ আৰু বিশেষকৈ বিধৱাসকলৰ জীৱনৰ যাতনা তেওঁৰ গল্পত মৰ্মস্পৰ্শীভাৱে প্ৰকাশ পাইছে।

**জোনাকী** কাকতৰ জৰিয়তে চুটি গল্পই অসমীয়া সাহিত্যত প্ৰৱেশ কৰে। চুটি গল্পৰ কলা-কৌশলৰ প্ৰতি বিশেষ সজাগতা **জোনাকী**ৰ স্তৰৰ গল্পসমূহত দেখা নাযায়। অসমীয়া চুটি গল্পৰ দ্বিতীয় স্তৰটো আৰম্ভ হয় **আৱাহন** (১৯২৯) আলোচনীৰ জৰিয়তে। **আৱাহন**ৰ সময়তে অসমীয়া চুটি গল্প সাহিত্যকলাৰ এক বিশিষ্ট আৰু জনপ্ৰিয় মাধ্যমত পৰিণত হয়। আচলতে, **জোনাকী**ৰ সময়ত কবিতাৰ যি জোৱাৰ উঠিছিল, **আৱাহন**ৰ সময়ত সেই জোৱাৰ উঠিল চুটি গল্পৰ ক্ষেত্ৰত। **আৱাহন**ৰ পাতত এদল গল্প-লেখকৰ আবিৰ্ভাৱ হ'ল আৰু তেওঁলোকে বিষয় আৰু আংগিক উভয় ফালৰ পৰা চুটি গল্পৰ পৰিসৰ বৃদ্ধিত সহায় কৰিলে। এওঁলোকৰ কোনো কোনো লেখকে মোপাছাঁ, চেখভৰ দৰে বিশ্ববিশ্ৰুত গল্পকাৰৰ আৰ্হিৰে বিষয়বস্তু পৰিবেশন কৰাৰ চেষ্টা কৰিলে। অৱশ্যে, এই স্তৰটোতো কমসংখ্যক লেখকেহে চুটি গল্পৰ শিল্প-চাতুৰ্যৰ প্ৰতি সজাগ হৈ গল্প ৰচনাত হাত দিলে। এচাম গল্পকাৰৰ ৰচনাত উপন্যাস আৰু চুটি গল্পৰ মাজৰ সীমা ৰেখাডাল অস্পষ্ট হৈ ৰ'ল। **জোনাকী** স্তৰৰ ৰোমাণ্টিকতা তথা ভাবপ্ৰৱণতা এই স্তৰৰো সৰহভাগ গল্পতেই অব্যাহত থাকিল যদিও, বাস্তৱতাৰ অনুসন্ধানেৰে নতুন ধাৰা প্ৰৱৰ্তন কৰাৰ আগ্ৰহো প্ৰকাশ পালে। কোনো কোনো লেখকৰ গল্পৰ মাজেদি নতুন চিন্তাৰো প্ৰৱেশ ঘটিল। সমাজতত্ত্ববিদ কাৰ্ল মাৰ্ক্সৰ সাম্যবাদী চিন্তাৰ অনুপ্ৰেৰণাৰে নতুন সামাজিক দৃষ্টিভংগী দাঙি ধৰাৰ আৰু মনঃসমীক্ষক ফ্ৰয়েডৰ যৌন মনস্তত্ত্বৰ আলোকত মানৱ-প্ৰকৃতি বিশ্লেষণ কৰাৰ চেষ্টা এওঁলোকৰ গল্পত প্ৰকাশ পালে।

দ্বিতীয় মহাসমৰৰ সময়ৰে পৰা অসমৰ সাহিত্য জগতত আকৌ পৰিৱৰ্তনৰ বা লাগিল। ইয়াৰ লগে লগে অসমীয়া চুটি গল্পৰ দ্বিতীয় স্তৰটোৰ অৰ্থাৎ আৱাহন স্তৰৰ অন্ত পৰিল। **আৱাহন**ক আশ্ৰয় কৰি বিস্তৃতি লাভ কৰা অসমীয়া চুটি গল্প আৰু অধিক সমৃদ্ধিশালী আৰু জনপ্ৰিয় হৈ উঠিল স্বৰাজোত্তৰ কালত। চুটি গল্পৰ সমৃদ্ধি আৰু জনপ্ৰিয়তাত বিশেষভাৱে সহায় কৰিলে **ৰামধেনু** (১৯৫১) আলোচনীয়ে। ইয়াৰ আগতে **জয়ন্তী** (১৯৪৩) আলোচনীয়ে অসমীয়া সাহিত্যৰ প্ৰকৃতি সলনি কৰি দিছিল। **ৰামধেনু**ৱে নতুন সাহিত্যৰ বিস্তাৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। **ৰামধেনু**ৰ সময়ৰে পৰা অসমীয়া চুটি গল্পৰ আন এটা স্তৰ আৰম্ভ হয়, যদিও এই স্তৰটোৰ বীজ অংকুৰিত হৈছিল **জয়ন্তী**ৰ পাততে৷ **আৱাহন**ৰ সময়তে আৰম্ভ কৰা গল্পকাৰসকলৰ লগত যোগ দিলেহি **ৰামধেনু**ৰ পাতত আত্মপ্ৰকাশ কৰা এচাম নতুন লেখকে। তেওঁলোকৰ জৰিয়তে চুটি গল্পৰ ভাববস্তু আৰু কলা-কৌশলৰ পৰিসৰ বহল হ'ল। মহাযুদ্ধই ইতিপূৰ্বে প্ৰচলিত সামাজিক দৃষ্টিভংগী আৰু মূল্যবোধক জোঁকাৰি থৈ গৈছিল। মহাযুদ্ধৰ অলপ পিছতেই ভাৰতবৰ্ষৰ ভিতৰতে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে চলি থকা আন এখন দীৰ্ঘকালীন যুদ্ধৰো অন্ত পৰিল। ভাৰতে স্বাধীনতা পালে। স্বাধীনতা লাভে মানুহৰ মনত নতুন আশাৰ সঞ্চাৰ কৰিলে। কিন্তু স্বাধীনতা আৰু দেশ বিভাজনে সামাজিক আৰু অৰ্থনৈতিক সমস্যাসমূহৰ সমাধানত সহায় নকৰিলে। ভগনীয়াৰ সমস্যাই অসমৰ দৰে পিছপৰা ৰাজ্যৰ অৰ্থনৈতিক সংকট আৰু অধিক জটিল কৰিহে তুলিলে। এই সমস্যাৰ ভয়াৱহতা আৰু বৃদ্ধি পালে **ৰামধেনু**ৰ পৰৱৰ্তীকালত, অসমৰ চুবুৰীয়া ৰাজ্য পূব পাকিস্তানৰ স্বাধীনতা যুদ্ধৰ সময়ৰে পৰা। ভাৰত চৰকাৰৰ উদাৰতাৰ সুযোগ লৈ পূব পাকিস্তানৰ অসংখ্য দুখীয়া লোক অসমলৈ ভাগি আহিল। ভগনীয়াৰ অবিৰাম সোঁত বৈ থাকিল পূব পাকিস্তানৰ স্বাধীনতা লাভৰ পিছতো। এইসকল লোকে অসমৰ অৰ্থনীতিত আঘাত কৰাই নহয়, অসমৰ জাতীয় জীৱনৰ অস্তিত্বকো বিপদাপন্ন কৰি তুলিলে। অস্তিত্বৰ সংকটে বৌদ্ধিক সমাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে আৰু তাৰ প্ৰভাৱ পৰিল সাহিত্যৰ অন্যান্য শাখাৰ লগতে চুটি গল্পতো।

স্বাধীনতাৰ পিছত উদ্ভৱ হোৱা নতুন সমস্যাসমূহে জীৱন আৰু সমাজ সম্পৰ্কীয় মূল্যবোধৰ ৰূপান্তৰত আৰু অধিক বৰঙণি যোগালে। নতুন অনুভূতিৰ প্ৰকাশে সাহিত্যৰ গতি-প্ৰকৃতি সলনি কৰি দিলে। জোনাকী আৰু আৱাহন স্তৰৰ ৰোমাণ্টিকতা পৰিহাৰ কৰি লেখকসকলে বাস্তৱৰ অনুসন্ধান কৰিলে। ইয়াৰে সৈতে আহিল পশ্চিমীয়া মতাদৰ্শৰ প্ৰভাৱ। স্বাধীনতাৰ ফলস্বৰূপে বহিৰ্জগতৰ লগত পোনপটীয়া আৰু গভীৰ সংযোগ স্থাপন হ'ল। ন ন চিন্তাৰ প্ৰৱেশ আৰু সংস্কৃতিৰ সংযোগে সাহিত্যৰ বৈচিত্ৰ্যত সহায় কৰিলে। সমাজবাদী, মনস্তাত্ত্বিক, অৱস্থিতিবাদী আদি বিভিন্ন ভাবধাৰাৰ প্ৰৱেশে চুটি গল্পক বৈচিত্ৰ্যময় কৰি তুলিলে। ফ্ৰয়েডীয় মনস্তত্ত্ব আৰু মাৰ্ক্সবাদে অধিক লেখকক আকৰ্ষণ কৰিলে। যুগৰ জটিলতাই সৃষ্টি কৰা কঠোৰ বাস্তৱতাৰ প্ৰতি লেখকসকলৰ সজাগতা বাঢ়িল। তেওঁলোকে পূৰ্বৰ তৰল ৰোমাণ্টিক প্ৰেমৰ ৰসপূৰ্ণ কাহিনীৰ পৰিৱৰ্তে ভাবঘন পৰিস্থিতি ব্যঞ্জনাময় প্ৰকাশভংগীৰে ৰূপায়ণ কৰাৰ চেষ্টা কৰিলে। পশ্চিমীয়া ধ্যান-ধাৰণাৰ অনুকৰণৰ ফলস্বৰূপে পুৰণি আৰু নতুন মূল্যবোধক লৈ সংঘটিত হোৱা দ্বন্দ্ব চুটি গল্পৰ মাজেদি পৰিস্ফুট হ'ল। বিষয়বস্তুৰ লগে লগে আংগিকৰ অভিনৱত্বৰ প্ৰতিও তৰুণ লেখকসকল আকৃষ্ট হ'ল। চৰিত্ৰৰ সূক্ষ্ম মনোবিশ্লেষণৰ কাৰণে দুই-এজনে চেতনাস্ৰোত কৌশলৰ সহায় ল'লে।

আৱাহনৰ সময়তে গল্পকাৰৰূপে প্ৰতিষ্ঠা লাভ কৰা চৈয়দ আব্দুল মালিক আৱাহন আৰু ৰামধেনু স্তৰৰ সংযোগ সেতু স্বৰূপ। ৰামধেনু আৰু তাৰ পৰৱৰ্তী স্তৰত যিসকল গল্পকাৰে ভাববস্তু আৰু ৰূপবস্তুৰ পৰিৱৰ্তন আৰু পৰিবৰ্ধনত সহায় কৰিলে তেওঁলোকৰ ভিতৰত মালিকৰ নাম পোনতে ল'ব লাগিব। ডেকা-গাভৰুৰ ৰোমাণ্টিক প্ৰেম আৰু নৰ-নাৰীৰ যৌন সম্পৰ্কৰ পৰা আৰম্ভ কৰি সামাজিক বাস্তৱতালৈকে অনেক বিষয় সামৰি লোৱা মালিকৰ গল্পত বিষয়ৰ বৈচিত্ৰ্যই পাঠকক বিস্ময়ত অভিভূত কৰে। অসমৰ ৰাজনৈতিক, সামাজিক আৰু আৰ্থিক জীৱনৰ বহুতো দিশৰ প্ৰতিফলন ঘটা মালিকৰ গল্পত সমাজৰ প্ৰায় আটাইবোৰ শ্ৰেণীৰ চৰিত্ৰই ঠাই পাইছে। বিষয়বস্তু যিয়েই হওক, গল্পৰ মাজত পাঠকক তেওঁ মন্ত্ৰমুগ্ধ কৰি ৰাখিব পাৰে। ভাষাৰ স্বচ্ছন্দতা আৰু সাবলীলতা ইয়াৰ অন্যতম প্ৰধান কাৰণ। মালিকৰ প্ৰথম অৱস্থাৰ গল্পসমূহ ৰোমাণ্টিক ভাবালুতাৰে আচ্ছন্ন। কলা-কুশলতাৰ ফালৰ পৰাও এই গল্পসমূহ দুৰ্বল। অপ্ৰয়োজনীয় বৰ্ণনাই সৰহভাগ গল্পৰে গাঁথনি শিথিল কৰিছে। দ্বিতীয় মহাসমৰৰ পিছৰ পৰা মালিকৰ দৃষ্টিভংগী সলনি হয়।

ৰোমাণ্টিক ভাব-বিলাসিতাৰ পৰা আঁতৰি আহি মালিকৰ গল্পই বাস্তৱতাৰ পিনে গতি কৰে। বৰ্ণনাৰ আতিশয্যও তেওঁ এইবোৰ গল্পত পৰিহাৰ কৰাৰ চেষ্টা কৰে। ইয়াৰ উদাহৰণ হিচাপে তেওঁৰ **কাঠফুলা** আৰু **যীশুখৃষ্টৰ ছবি** গল্প দুটালৈ আঙুলিয়াই দেখুৱাব পাৰি। আগৰ গল্পসমূহৰ ৰোমাণ্টিক উচ্ছ্বাস এই দুটা গল্পত নাই। লক্ষ্য আৰু ফলশ্ৰুতিৰ একমুখিতাৰে চুটি গল্পৰ আংগিকৰ প্ৰতি সজাগতা প্ৰদৰ্শন কৰা কাৰ্যইও গল্প দুটাক পূৰ্বৰ গল্পসমূহৰ পৰা আঁতৰাই আনিছে। কাহিনী আৰু চৰিত্ৰ উভয়তে বাস্তৱ দৃষ্টিভংগীৰ পোহৰ পৰা **কাঠফুলা** আৰু **যীশুখৃষ্টৰ ছবি**ক মালিকৰ উন্নতমানৰ গল্পসমূহৰ তালিকাত অন্তৰ্ভুক্ত কৰিব পাৰি। ৰামধেনু আৰু পৰৱৰ্তী স্তৰত লিখা মালিকৰ গল্পসমূহ বাস্তৱৰ আৰু অধিক ওচৰ চপা। সামাজিক বাস্তৱবাদে তেওঁৰ এই সময়ছোৱাৰ গল্পত প্ৰধান ভূমিকা গ্ৰহণ কৰে। সামাজিক চেতনাৰ প্ৰতিফলন আৰু মানৱীয় অনুভূতিৰ সূক্ষ্ম, সংযত আৰু ব্যঞ্জনাধৰ্মী বৰ্ণনাৰে মালিকৰ গল্প সমৃদ্ধ হৈ উঠে। **হৰি মাষ্টৰৰ দোকান**, **তিনিচকীয়া গাড়ী**, **আজোখা**, **জপনা** প্ৰমুখ্যে ভালেমান গল্পত এহাতে যিদৰে প্ৰকাশ পাইছে গভীৰ মানৱতাবোধ, দুৰ্বল, অসহায়, দৰিদ্ৰ মানুহৰ প্ৰতি লেখকৰ অনুকম্পা, আনহাতে সেইদৰে প্ৰকাশ পাইছে চুটি গল্পৰ বাবে প্ৰয়োজনীয় বৈশিষ্ট্যসমূহৰ প্ৰতি সজাগতা। **আজোখা** গল্পত মানিকৰ দাৰিদ্ৰ্যপীড়িত পৰিস্থিতি আৰু মানিকৰ দদায়েক-খুৰীয়েকৰ সহানুভূতিশীল, মানৱীয় দৃষ্টিভংগী সৰল আৰু সংবেদনশীলভাৱে ৰূপায়ণ কৰা হৈছে। আনকি, এই সময়ছোৱাৰ ভিতৰতো মালিকৰ জীৱন সম্পৰ্কীয় দৃষ্টিভংগী যে কিছু পৰিমাণে সলনি হৈছে তাৰ ইংগিত তেওঁৰ **হৰি মাষ্টৰৰ দোকান** আৰু **জপনা** গল্পৰ প্ৰধান চৰিত্ৰ দুটাৰ পৰাই পাব পাৰি। দুয়োটা গল্প দৰিদ্ৰ শিক্ষকৰ জীৱনৰ আধাৰত ৰচিত। **হৰি মাষ্টৰৰ দোকানত** হৰিনাথ বৰাই দৰিদ্ৰতাৰ লগত আপোচ কৰিছে। কিন্তু **জপনাত** পল্লৱ চৌধুৰী আৰু পদ্ম ঠাকুৰে দৰিদ্ৰতাৰ ওচৰত আত্মসমৰ্পণ নকৰি সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনৰ কাৰণে নতুন চিন্তাৰ জপনা খুলি দিছে।